# সদানন্দ চলিহাৰ আত্মহত্যাৰ টোকাটো

গল্প

জিতুমণি পাঠক

সদানন্দ চলিহাই আজিকালি খিৰিকীখন খুলি ৰাজপ্ৰাসাদৰ দৰে জকমকাই থকা ঘৰটো দেখিলেই খেকাঁৰ মিশ্ৰিত থু এসোপামান ঘৰটোক উদ্দেশ্যি মাৰি পঠিয়ায়। বহুদিন চেষ্টা কৰিছে নিজকে বাৰণ কৰিবলৈ। মুখখনত সোপা মাৰি ধৰি প্ৰাণপণে চেষ্টা কৰে থু-খেকাৰবোৰক বাহিৰ ওলাই আহিবলৈ নিদিবলৈ। কিন্তু ভিতৰখনত যেন এটি আগ্নেয়গিৰিহে উদ্‌গীৰণ হ'বলৈ ছটফটাই থাকে। এটা সময়ত মুখৰপৰা হাতখন আঁতৰাই দিবলৈ বাধ্য হয়। লগে লগে খেকাৰ মিশ্ৰিত থু এসোপা বাহিৰলৈ ওলাই আহে। 'থুহ' বুলি খেকাৰ-ঘৃণা মিশ্ৰিত থুখিনি তেওঁ প্ৰাসাদোপম ঘৰটোক উদ্দেশ্যি মাৰি পঠিয়ায়। তাৰ পিছত তেওঁ সশব্দে খিৰিকীখন জপাই দিয়ে।

চলিহাই আচলতে খিৰিকীখন খুলিবই নিবিচাৰে। কিন্তু সেই ৰাজপ্ৰাসাদসদৃশ ঘৰটোৰপৰা অহা পদুৱে আহি প্ৰায়ে তেওঁক ধমক দিয়ে। ৰুমটো চফা কৰি থকা গোটেই সময়খিনি সি মুখৰ ভিতৰতে ভোৰভোৰাই থাকে— 'এই গু-মূত সোপাৰ গোন্ধ লৈ থাকিব, তথাপি খিৰিকীখন মেলি নল'ব। কেতিয়াবা চাব, এই গোন্ধসোপাতে উশাহ নাপাই মৰি থাকিব দুয়োজন।' সদানন্দ চলিহাই শয্যাশায়ী পত্নীৰ বিচনাখনত বহি বুজা-নুবুজাৰ ভাবেৰে ভোৰভোৰাই থকা পদুৰ মুখলৈ চাই থাকে। এটা সময়ত এটা সময়ত পুনৰ হতাশ হৈ পৰিছিল। একেবোৰ কথাই যেন বাৰে বাৰে পাকঘূৰণি খাইছিল। মানুহজনীয়ে পুতেক হৃদয়ৰ কথাৰ বাহিৰেও পৃথিৱীত যে পাতিবলৈ আন কথা আছে সেয়া নাজানিলেই নেকি!

তথাপি মানুহজনী জীয়াই আছিল। চলিহা সেয়েহে ইমান নিঃসংগ হৈ পৰা নাছিল। কিন্তু বাকী মানুহবোৰে মানুহজনীক মাৰিবলৈ তৎপৰ হৈ পৰিছিল। সকলোৱে যেন মৃতপ্ৰায় এই মানুহজনীক সিহঁতৰ একমাত্ৰ পুতেক হৃদয়ৰ কথা ক'বলৈ উদগ্ৰীৱ হৈ পৰিছিল। মানুহবোৰক গালি-শপনি দি আদবাটৰ পৰাই খেদিছিল। কিন্তু মানুহজনীৰ কফিনত আহি শেষ গজালটো মাৰিছিলহি ইলেক্ট্ৰনিক মিডিয়াই। পুত্ৰ-বোৱাৰীৰ দ্বাৰা অৱহেলিত অশীতিপৰ বৃদ্ধ-বৃদ্ধাৰ কাহিনীৰে দুই-তিনিদিন ধৰি তোলপাৰ লগাইছিল নিউজ চেনেল এটাই। লাহে লাহে বাকীবোৰ চেনেললৈও সোঁচৰিছিল খবৰটো। আৰু তেনে সময়তে এদিন দোকমোকালিতে এখন বিলাসী বাহনেৰে অহা কিছুমান অচিনাকি মানুহে ওচৰ-চুবুৰীয়াবোৰে দেখা পোৱাৰ আগতেই তেওঁক আৰু তেওঁৰ পত্নীক গাড়ীখনৰ ভিতৰত ভৰাই ততাতৈয়াকৈ তাৰ পৰা ৰাওনা হৈছিল। কোনেও চলিহাক এবাৰো নুশুধিলে তেওঁৰ ইচ্ছা-অনিচ্ছাৰ কথা। অৱশ্যে তাৰ মাজতো চলিহাই দেখিছিল পুতেকে নিবলৈ পঠিওৱা বুলি কোৱা শুনাৰ লগে লগে মানুহজনীৰ ওঁঠযোৰ বহুদিনৰ মূৰত অলপ দীঘলীয়া সময়লৈ কঁপি উঠিছিল। এই কথাটোৱে চলিহাৰ নাযাওঁ বুলি আঁকোৰগোঁজ লগোৱা মনটোক শান্ত কৰাইছিল।

অচিনাকি মানুহবোৰৰ অসহ্যকৰ টনা-আঁজোৰাখিনিক কোনো প্ৰতিৰোধ কৰিবলৈ চেষ্টা নকৰি চুপ-চাপ গাড়ীত উঠিছিলগৈ।

মানুহজনীৰ ওঁঠৰ কঁপনিটোক সদানন্দ চলিহাই শেষবাৰলৈ দেখিছিল পুতেকৰ বিশাল অট্টালিকাৰ চৌহদত সোমোৱাৰ সময়ত। দ্বিতীয় মহলাৰ বাৰাণ্ডাত থিয় দি পুতেক-বোৱাৰীয়েকে যেতিয়া তলত থিয় হৈ থকা মানুহখিনিক তেওঁলোকক পাছফালৰ অন্ধকাৰ-জেকা ছাৰ্ভেণ্ট কোৱাৰ্টাৰলৈ লৈ যাবলৈ নিৰ্দেশ দিছিল সেই সময়ত মানুহজনীৰ ওঁঠযোৰ পুনৰ কঁপি উঠিছিল। আনকি চকুৰ মণিটোও খুব খৰকৈ লৰিছিল। কিন্তু এই অন্ধকাৰ কোঠাটোত সোমোৱাৰ লগে লগে মানুহজনীৰ মৃত্যু হৈছিল। পুতেকক ওচৰত পোৱাৰ শেষ আশাকণ নিৰ্বাপিত হোৱাৰ পিছত চাগে মানুহজনীয়ে আৰু জীয়াই থকাৰ কোনো তাগিদা অনুভৱ কৰা নাছিল। গতিকে তেওঁ চলিহাকো এবাৰ মাত দিয়াৰ প্ৰয়োজন অনুভৱ নকৰি নীৰৱে মৰি থাকিল। চলিহাই মানুহজনীৰ মৃত্যু দেখাৰ পিছত বহুতকে কৈছে কথাটো। কিন্তু কোনেও তেওঁৰ কথাটো বিশ্বাস কৰা নাই। পদুক ক'লে পদুৱে প্ৰায়ে তেওঁক ধমকি দিয়ে। তেওঁৰ কথাক গুৰুত্ব নিদি প্ৰস্ৰাৱ-বিষ্ঠাৰে লেটি লৈ থকা মানুহজনীৰ কাপোৰবোৰ সলাই দিয়ে। তাৰ পিছত বিৰক্তিৰে মানুহজনীৰ গু-মূতেৰে লেটি লৈ থকা কাপোৰবোৰ আৰু বেডছিটখন লৈ নাকে-মুখে সোপা দি তাৰ পৰা ওলাই যায়।

পদু যোৱাৰ পিছতে কোনোবা এটা পিলিঙা ল'ৰাই



পদু কোঠাটোৰপৰা ওলাই যায়। তেওঁ তাতেই বহি পদুৰ বুজা-নুবুজা কথাবোৰ পাগুলি থাকে। তাৰ দুৰ্বোধ্য কথাবোৰৰ আউল ভাঙিবলৈ চেষ্টা কৰে। এবাৰ নিজকে খুঁটি খুঁটি চায়। তাৰ পিছত কাঠৰ টুকুৰাৰ দৰে পৰি ৰোৱা পত্নীৰ ওচৰলৈ আগবাঢ়ে। শৰীৰত হাত ফুৰাই কিবা অনুভৱ কৰিবলৈ চেষ্টা কৰে। বাৰে বাৰে একেখিনি কাম কৰাৰ পিছতে এটা সময়ত তেওঁ হতাশ হৈ বহি পৰে। তেওঁ বুজিব নোৱাৰে পদুৱে কৈ যোৱাৰ দৰে এই বন্ধ কোঠাত মৰিবলৈনো কোন জীয়াই আছে।

আচলতে এমাহ আগতে প্ৰকাণ্ড দালানটোৰ পাছফালৰ অন্ধকাৰ, জেকা, পূতিগন্ধময় পৰিৱেশত থকা ছাৰ্ভেণ্ট কোৱাৰ্টাৰৰ এই কোঠাটোত তেওঁক আৰু তেওঁৰ পত্নীক যিদিনাখন সুমুৱাই দিয়া হৈছিল সেইদিনাই তেওঁৰ পত্নীৰ মৃত্যু ঘটিছিল। গাঁৱত থকা সময়লৈকে মানুহজনী কিবাকৈ জীয়াই আছিল। জীয়াই থকাৰ এটা সম্বল আছিল। বৰ আশাৰে মানুহজনী ৰৈ আছিল তেওঁলোকৰ একমাত্ৰ সন্তান হৃদয়লৈ। মানুহজনীয়ে হাড়ে-হিমজুৱে চিনি পায় তেওঁলোকৰ একমাত্ৰ সন্তান হৃদয়ক। সি বৰ মৰম আকলুৱা। সি যেনেকৈ মৰম ল'ব জানে, দিবও জানে। সি যদি মাকৰ এই অৱস্থাৰ কথা শুনে তেন্তে য'তেই নাথাকক শুনামাত্ৰেই লৰৰি আহিব। সামান্যতম বাহ্যিক জ্ঞান থকালৈ মানুহজনীয়ে বাৰে বাৰে চলিহাক দোষাৰোপ কৰিছিল তালৈ খবৰ নপঠিওৱা বাবে। তালৈ খবৰ পঠিয়ালে নে নাই বুলি পত্নীয়ে প্ৰশ্নটি সুধিলেই চলিহাই লাহে লাহে কোঁচ খাই শামুকৰ দৰে খোলা এটিৰ ভিতৰলৈ সোমাই গৈছিল। সেই সময়ত সহজ-সৰল এই মানুহজনী যেন হিংস্ৰ হৈ পৰিছিল। চলিহাক আক্ৰমণ কৰিছিল। আৰু এটা সময়ত নিজেই শান্ত হৈ পৰিছিল। এই প্ৰক্ৰিয়া হয়তো ধাৰাবাহিকভাৱে চলিয়েই থাকিল হয়। কিন্তু এদিন হঠাতে মানুহজনীৰ সম্পূৰ্ণৰূপে বাহ্য জ্ঞান লোপ পালে। সিদিনাখনৰ পৰাহে চলিহাই স্বস্তিৰে খোলাটোৰপৰা ওলাই আহিছিল। মানুহজনী তেতিয়া এডাল জগা কাঠৰ দৰে পৰি ৰৈছিল বিচনাত। মুখৰ মাত-বোল একেবাৰে বন্ধ হৈ গৈছিল। মাজে-মাজে ওঁঠ দুটা কঁপি উঠিছিল। ছাঁটোৰ দৰে সদায় লাগি থকা মানুহজনীৰ কথা কোনোদিনেই গুৰুত্ব দি নুশুনা চলিহাই বৰ আগ্ৰহেৰে সেই ওঁঠৰ কঁপনি পঢ়িবলৈ চেষ্টা কৰিছিল। আৰু আচৰিত কথা যে তেওঁ মানুহজনীৰ শব্দহীন সেই শব্দবোৰ শুনিবলৈ পাইছিল। চলিহা ৰোমাঞ্চিত হৈ উঠিছিল। বহু সময় ধৰি মানুহজনীয়ে মৌনতাৰে অনৰ্গল কৈ থকা কথাবোৰ তেওঁ শুনি গৈছিল। শুনি শুনি চলিহা এটা সময়ত পুনৰ হতাশ হৈ পৰিছিল।

আহি মানুহজনীৰ চেলাইনটো সলনি কৰি থৈ যায়। তাৰ পিছতে এই বন্ধ ৰুমটো সম্পূৰ্ণৰূপে চলিহাৰ হৈ যায়। সেই সময়খিনি তেওঁ বিভিন্ন ভাৱনাত মগ্ন হৈ থাকে। মাজে মাজে বাহিৰ ওলাই যোৱাৰ চেষ্টা কৰে। কিন্তু দুৱাৰ খুলিবলৈ চেষ্টা কৰি গম পায় যে সেইখন বাহিৰৰপৰা বন্ধ থাকে। তাৰ পিছত তেওঁ ৰুমটোৰ ভিতৰতে ঘুমুটিয়াই থাকে। মাজে মাজে গৈ মানুহজনীৰ বিচনাখন খেপিয়াই চায়গৈ। সেইখন আকৌ আগৰ দৰে সেমেকিবলৈ লয়। পদুৱে আহি পিছৰদিনাখন নসলোৱালৈকে সেই সেমেকাকণে গৈ লাগে লাগে এখন বৰষুণত ভিজা কাপোৰৰ ৰূপ লয়। সেইবোৰ কথাই অৱশ্যে চলিহাৰ মনোজগতত কোনো প্ৰভাৱ নেপেলায়। তেওঁ আপোন ভাৱত নিজৰ চিন্তাৰ জগতখনত বিচৰণ কৰি থাকে।

মাজে মাজে চলিহাই নিজকে সোধে যে পত্নীৰ দৰে বাৰু কোনেও গম নোপোৱাকৈ তেৰোঁ ঢুকাই থাকিল নেকি? বহুদিন ধৰি লক্ষ্য কৰি আহিছে যে পদু আহে, নীৰৱে তাৰ কামখিনি আঁতায় আৰু গুচি যায়। তেওঁ যে কোঠাটোতে আছে তালৈ পদুৰ কোনো ভ্ৰূক্ষেপেই নাই। চেলাইন দিবলৈ অহা ল'ৰাটোৱে সদায় মুখখন কাপোৰেৰে ঢাকি আহে। ঢাকি ৰখা কাপোৰৰ তলত তাৰ ভাৱাৱেগ তেওঁ অনুমান কৰিব নোৱাৰে। তদুপৰি সি আজিলৈ চলিহাৰ লগত এটা শব্দও বিনিময় কৰা নাই। নে সি গম পায় তেওঁ মৰিল বুলি! চলিহাৰ মনত লাহে লাহে সন্দেহটো ঘনীভূত হৈ আহিল। কিন্তু সিদিনাখন মাজনিশা অট্টালিকাটোৰপৰা ভাহি অহা উচ্চ লহৰৰ সংগীতৰ সুৰ আৰু হাঁহিৰ খিল-খিলনি শুনি তেওঁ যেতিয়া শুৱাৰপৰা উঠি খিৰিকীখন খুলি প্ৰচণ্ড বিৰক্তি আৰু ঘৃণাৰে ঘৰটোলৈ চাই থুৱাই দিলে, তেতিয়াই তেওঁ গম পাই গৈছিল যে তেওঁ তেতিয়ালৈ ঢুকুৱা নাই। এই খং, বিৰক্তি, ঈৰ্ষা এজন মৃত মানুহৰ কেতিয়াও থাকিব নোৱাৰে।

ইয়াৰ পিছত তেওঁ আৰু বহুকেইটা প্ৰমাণ পাইছিল যে তেওঁ ঢুকুৱা নাই। লগে লগে তেওঁ আন এটা কথা আৱিষ্কাৰ কৰি বিস্ময়-বিমূঢ় হৈ পৰিছিল। তেওঁ দেখিলে যে ক'ব নোৱাৰাকৈ তেওঁৰ অন্তৰখন সীমাহীন ঈৰ্ষাৰে ভৰি পৰিছে। আৰু সেই ঈৰ্ষাই গৈ এটা সময়ত তীব্ৰ ঘৃণাৰ ৰূপ লৈছেগৈ। আৰু আশ্চৰ্যজনকভাৱে লক্ষ্য কৰিছিল যে এই ঈৰ্ষা, এই ঘৃণা আছিল তেওঁলোকৰ একমাত্ৰ সন্তান হৃদয়ৰ প্ৰতি। মাজনিশা যেতিয়া লাইটেৰে জকমকাই থকা পুতেকৰ ঘৰৰপৰা নাতিয়েকৰ বাৰ্থডে পালনৰ আনন্দৰ সুৰ ভাহি আহিছিল তেতিয়া তেওঁ বন্ধ কোঠালিটোত ঈৰ্ষাত ছটফটাই মৰিছিল। পুতেকে যেতিয়া দিনটোত দুবাৰ-তিনিবাৰকৈ বিলাসী গাড়ীবোৰ সলনি কৰি অফিচলৈ অহা-যোৱা কৰিছিল তেতিয়াও তেওঁ ঈৰ্ষাত দগ্ধ হৈ বেৰত ভুকুৱাইছিল। আনকি বোৱাৰীয়েকে যেতিয়া নিজৰ বান্ধৱীকেইজনীক লৈ এই ঘৰৰ চৌহদৰ ডাঙৰ লনখনত কিটি পাৰ্টী কৰিছিল তেতিয়াও ঈৰ্ষান্বিত চলিহাই তেওঁলোকক উদ্দেশ্যি থুৱাই দিছিল। চলিহাই নিজৰ এই অশোভনীয় আৱেগক নিয়ন্ত্ৰণ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিবলৈ ধৰিলে। খিৰিকীখন খোলাটো একেবাৰেই বন্ধ কৰি দিলে। তথাপি যেন তেওঁ পৰিত্ৰাণ নাপালে। খিৰিকীখনৰ সিপাৰৰ হাঁহি-আনন্দৰ ফোৱাৰাটোৱে সকলো বাধা অতিক্ৰমি বাৰে বাৰে তেওঁৰ কৰ্ণ-কুহৰত আঘাত কৰিবলৈ ধৰিলে। যেতিয়াই তেওঁ বেৰৰ সিটো পাৰে উদ্দাম আনন্দ উদ্‌যাপনৰ উমান পায় তেতিয়াই তেওঁ সন্মুখৰ বেৰখনলৈ জোৰে জোৰে থুৱাবলৈ আৰম্ভ কৰে। মুহূৰ্ততে তেওঁৰ সন্মুখৰ বেৰখন থু আৰু খেকাৰেৰে ভৰি পৰে। ঈৰ্ষাৰ যন্ত্ৰণাত চলিহাই কোঠাটোত উন্মাদৰ দৰে লৰা-ঢপৰা লগায়। সেই মুহূৰ্ততে তেওঁ এটা কথা আৱিষ্কাৰ কৰি আচৰিত হ'ল যে ইমান দিনে ভাবি থকাৰ দৰে আচলতে তেওঁৰ পত্নীৰ মৃত্যু ঘটা নাই। তেওঁৰ দৰে তেওঁৰ পত্নীও ঈৰ্ষাৰ জ্বালাত দগ্ধ হৈ আচলতে মৃতৰ ভাও জুৰি আছে। তেওঁৰ খেকাৰ মিহলি থুবোৰৰ দৰে আচলতে মানুহজনীৰ প্ৰস্ৰাৱ-পাইখানাও পুতেকৰ প্ৰতি থকা ঈৰ্ষা আৰু ঘৃণাৰ বহিঃপ্ৰকাশ।

অৱশেষত সদানন্দ চলিহাই সেই চৰম সিদ্ধান্তটো লৈ ল'লে। এই পৃথিৱীত তেওঁৰ আৰু তেওঁৰ পত্নীৰ জীয়াই থকাৰ কোনো অধিকাৰ নাই। সিদ্ধান্তটো লোৱাৰ পিছত প্ৰথমে তেওঁ ঈৰ্ষাৰ জ্বালাত দগ্ধ হৈ মূক হৈ পৰা মানুহজনীৰ মুখখনত গাৰু এটাৰে হেঁচি ধৰিলে। মানুহজনীয়ে ইমান ক্ষোভ-বিতৃষ্ণা নিজৰ ভিতৰত সুমুৱাই ৰাখিছিল যে শেষ মুহূৰ্ততো পুতেকৰ প্ৰতি থকা ঈৰ্ষা আৰু ঘৃণাখিনিক প্ৰস্ৰাৱ-পাইখানা হিচাপে নিৰ্গত কৰি থৈ গ'ল। সেইবোৰলৈ চাই চলিহা আচৰিত হৈ গ'ল: নিজ সন্তানৰ সুখ-আনন্দৰ প্ৰতিও কোনো মাতৃ ইমান ঈৰ্ষান্বিত কেনেকৈ হ'ব পাৰে! কিন্তু পুতেকৰ ছবিখন তেওঁৰ দুচকুৰ আগলৈ ভাহি অহাৰ লগে লগে ক'ব নোৱৰাকৈ তেওঁৰ মুখখন থু-খেকাৰেৰে ভৰি গ'ল। তেওঁ দেখিলে— আৰু দেৰি কৰা উচিত নহ'ব। নিজকে চিলিং ফেনখনত বান্ধি থোৱা ৰছীডালত ওলোমোৱাৰ আগেয়ে তেওঁ পত্নীৰ বিচনাখনৰ শিতানত বহি সৰুকৈ এটা নোট লিখিলে; তেওঁৰ ছুইচাইড নোটটো। 'নিজ পুত্ৰ-বোৱাৰীৰ সুখ-আনন্দত ঈৰ্ষাত দগ্ধ হৈ ছটফটাই মৰা আমি হ'লো দুই নৰাধম, পাষণ্ড পিতৃ-মাতৃ। ধিক এই জীৱন।' তলত সৰুকৈ গোট গোট আখৰৰ এটা চহী, সদানন্দ চলিহাৰ। ■

ভ্ৰাম্যভাষ: ৯৮৫৪০ ১৮১১৭